ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

# অসমৰ গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনীয়তা— এক অৱলোকন

পংকজ তামুলী
প্ৰাক্তন ছাত্ৰ
বাহনা মহাবিদ্যালয়, যোৰহাট

**সংক্ষিপ্তসাৰ ঃ**

মনোমোহা প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এখন ৰাজ্য অসম। সৌন্দৰ্যৰে ভৰা অসমত প্ৰাকৃতিক উপাদানৰ লগতে গ্ৰামাঞ্চলতো পৰ্যটন ক্ষেত্ৰৰ বিকাশৰ বাবে এক প্ৰচুৰ সম্ভাৱনীয়তা আছে। গ্ৰামাঞ্চলৰ বিভিন্ন কৃষ্টি-সংস্কৃতি, লোকাচাৰ, পৰম্পৰা তথা গ্ৰাম্য পৰিৱেশক গ্ৰাম্য পৰ্যটন ক্ষেত্ৰৰ মূল আধাৰ হিচাপে গঢ়ি তোলাৰ বিভিন্ন থ'ল আছে। বৰ্তমান সময়ত গ্ৰাম্য বিষয়টোৱে এক বিশেষ গুৰুত্ব লাভ কৰিছে। সেয়েহে, আমাৰ এই আলোচনা পত্ৰৰ জৰিয়তে অসমৰ গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনীয়তা সম্পৰ্কে এক আলোকপাত কৰিবৰ বাবে চেষ্টা কৰা হৈছে।

**বীজশব্দ ঃ** পৰ্যটন, গ্ৰামাঞ্চল, লোকাচাৰ, পৰম্পৰা, গ্ৰাম্য পৰ্যটন, সম্ভৱনীয়তা

**প্ৰস্তাৱনাঃ**

এখন দেশৰ সম্পদৰ সুব্যৱহাৰৰ ওপৰতেই সেই দেশৰ উন্নতি বা বিকাশ বহু পৰিমাণে নিৰ্ভৰ কৰে। প্ৰাকৃতিক আৰু মানৱসৃষ্ট সম্পদৰাজিয়ে দেশ এখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত নিৰ্ণায়কৰ ভূমিকা পালন কৰে। বিশ্বৰ বৃহৎ আৰু দ্ৰুতগতিত বিকাশ লাভ কৰা এটা উল্লেখযোগ্য উদ্যোগখণ্ডৰ অন্তৰ্গত বিভাগ বা খণ্ড হ'ল পৰ্যটন খণ্ড।

পৰ্যটন এটা সংস্কৃত শব্দ। ইয়াৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Tourism'। ইয়াৰ অৰ্থ হ'ল আমোদ-প্ৰমোদৰ সন্ধানত যোৱা। আকৌ 'পৰ্যটক' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Tourist'। এই শব্দটো লেটিন ভাষাৰ 'Tornus'ৰ পৰা উৎপত্তি হৈছে। যাৰ অৰ্থ হ'ল ঘূৰণীয়া। অৰ্থাৎ এঠাইৰ পৰা যাত্ৰা আৰম্ভ কৰি কোনো দেশ বা কোনো অঞ্চলৰ ঠাই বিশেষ ভ্ৰমণ কৰি ঘূৰি-ফুৰা ভ্ৰমণকাৰীক পৰ্যটক বুলি কোৱা হয়।

গ্ৰাম্য পৰ্যটন হ'ল গ্ৰামাঞ্চলৰ যিবিলাক অঞ্চল বা ঠাইত পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দুস্বৰূপ। অৰ্থাৎ গ্ৰাম্য পৰিৱেশ আৰু গ্ৰাম্য জীৱনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা পৰ্যটকক আমি গ্ৰাম্য পৰ্যটক বুলি ক'ব পাৰো। অসমৰ প্ৰেক্ষাপটত গ্ৰাম্য পৰ্যটন ক্ষেত্ৰৰ যথেষ্ট গুৰুত্ব আছে। কিয়নো অসম হৈছে মূলতঃ গ্ৰাম্য প্ৰধান। গাঁও হ'ল বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিন্নমুখী লোকাচাৰ, পৰম্পৰা তথা নানান কৃষ্টি-সংস্কৃতিৰ এক অপূৰ্ব মিশ্ৰণ। ভৌগোলিক পৰিৱেশ বা অঞ্চলভেদে ইয়াৰ জনজীৱনৰ গাঁথনিও ভিন্ন হোৱাৰ লগতে অন্যান্য দিশসমূহৰ ক্ষেত্ৰতো ভিন্নতা দেখিবলৈ পোৱা যায়। এই গ্ৰাম্য পৰিৱেশক উপযুক্ত সুযোগ আৰু সুবিধা

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

প্ৰদানৰ জৰিয়তে পৰ্যটনৰ বাবে উপযুক্ত হিচাপে গঢ়ি তুলিব পৰা যায়। যাৰ ফলস্বৰূপে স্থানীয় লোকৰ বহু কৰ্মসংস্থাপনৰ বাট মুকলি হোৱাৰ লগতে দেশৰ আৰ্থ-সামাজিক প্ৰগতিতো যথেষ্ট অৰিহণা যোগাবলৈ সক্ষম হ'ব।

## গৱেষণা পত্ৰৰ উদ্দেশ্য আৰু লক্ষ্য ঃ

'অসম গ্ৰাম্য পৰ্টটনৰ সম্ভাৱনীয়তা— এক অৱলোকন' শীৰ্ষক গৱেষণা পত্ৰখনৰ উদ্দেশ্য আৰু লক্ষ্য হ'ল অসমৰ গ্ৰাম্য পৰ্যটন ক্ষেত্ৰত সম্ভাৱনীয়তা সম্পৰ্কে দাঙি ধৰা আৰু ইয়াৰ ফলত আৰ্থ-সামাজিক উন্নয়নত প্ৰভাৱ সম্পৰ্কে এক আলোকপাত কৰা।

## গৱেষণা পত্ৰৰ উৎস আৰু পদ্ধতি ঃ

এই গৱেষণা পত্ৰখন অধ্যয়ন কৰিবলৈ যাওঁতে গৌণ তথ্যৰ সহায় লোৱা হৈছে। গৌণ তথ্যৰ আধাৰ হিচাপে বিভিন্ন কাকত, আলোচনী, প্ৰবন্ধ, পূৰ্বৰ গৱেষণা পত্ৰ আৰু ইণ্টাৰনেটৰ সহায় লোৱা হৈছে। গৱেষণা পত্ৰখন যুগুত কৰোঁতে বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

## বিষয়বস্তুৰ বিশ্লেষণ ঃ

জৈৱ বৈচিত্ৰ্যময় ঐতিহ্যশালী অসম বিশ্বৰ ৭ খন জৈৱ বৈচিত্ৰ্যৰ এখন. অসমৰ প্ৰাকৃতিক পৰিৱেশ আৰু বৈচিত্ৰ্যময় সাংস্কৃতিক ৰূপে বিভিন্ন ঠাইৰ পৰ্যটকক আকৰ্ষিত কৰি আহিছে। গ্ৰামাঞ্চলৰ নদ-নদী, বনাঞ্চল, পাহাৰ ইত্যাদি নৈসৰ্গিক শোভা আৰু ধৰ্মীয় অনুষ্ঠান, বিভিন্ন জাতি-জনগোষ্ঠীৰ খাদ্য-সম্ভাৰ, কলা-সংস্কৃতি, বস্ত্ৰ, বাসস্থান ইত্যাদি সকলোবোৰ গ্ৰাম্য পৰ্যটনৰ এক সম্ভাব্য ছবি দেখিবলৈ পোৱা যায়। এনে সম্পদৰ উপযুক্ত ব্যৱহাৰ তথা বিকাশ সাধন কৰি পৰ্যটকৰ বাবে এক আকৰ্ষণৰ মাধ্যম হিচাপে গঢ়ি তুলিব পৰা যায়। গ্ৰামাঞ্চলত থকা এনে সম্ভাৱনাপূৰ্ণ ঠাই বা এলেকাসমূহত পৰ্যটনৰ বাবে মুকলি কৰি দি এক সম্ভাৱনাময় পথ মোকলাই দিব পাৰি। যাৰ জৰিয়তে অৰ্থনৈতিক ভেটি মজবুত হোৱাৰ সমান্তৰালকৈ সাংস্কৃতিক, সামাজিক ইত্যাদি দিশৰ ক্ষেত্ৰতো বিকাশ লাভ কৰিব।

অসমৰ বিভিন্ন প্ৰাকৃতিক সৌন্দৰ্য, পুৰণিকলীয়া ধৰ্মীয় অনুষ্ঠানসমূহ, মনোমোহা নদী কাষৰীয়া ঘাটসমূহত অধিক আকৰ্ষণ কৰি তুলিব পৰা যায়। ইয়াৰোপৰি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীয় বিভিন্ন খাদ্যাভ্যাস, সাজ-পাৰ, লোকাচাৰ, বিভিন্ন উৎসৱ-পাৰ্বন ইত্যাদিৰ জৰিয়তেও এক গ্ৰাম্য পৰ্যটনৰ বাবে যথেষ্ট সমল দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে নদীদ্বীপ মাজুলীৰ কথা আমি সকলোৱে জানো। কিন্তু মাজুলীলৈ বছৰি বিভিন্ন দেশ-বিদেশৰ পৰা বিভিন্ন পৰ্যটকৰ আগমন ঘটা দেখা যায়। তথাপি পৰ্যটন উদ্যোগ বিশেষকৈ গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰত আশানুৰূপভাৱে কৰ্তৃপক্ষৰ সঁহাৰি দেখিবলৈ পোৱা নাযায়; যাৰবাবে কেৱল নিৰ্দিষ্ট কোনো এক অঞ্চলৰ মাজতে গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰ সীমাৱদ্ধ হৈ থকা দেখা যায়। অসমৰ এনে বহু পৰ্যটনৰ সম্ভাৱনাময় অঞ্চল আছে যিবোৰে উপযুক্ত সুযোগ আৰু সুবিধা লাভৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ ফলত সম্পদৰ উচিত ব্যৱহাৰ কৰাত বহু পৰিমাণে পিছপৰি থকা দেখিবলৈ পোৱা যায়।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

গ্ৰাম্য পৰ্যটনৰ জৰিয়তে অসমৰ পৰম্পৰাগত খাদ্য সম্ভাৰ, জাতীয় তথা জনগোষ্ঠীয় সাজ-পোছাক, লোকাচাৰ ইত্যাদিৰ মাধ্যমেৰে পৰ্যটকক আকৰ্ষিত কৰিব পৰাৰ বাট দেখা যায়। ইয়াৰ দ্বাৰা গাঁৱৰ দৰিদ্ৰতা দূৰীকৰণৰ লগত কৰ্মসংস্থান সৃষ্টি তথা সামাজিক ঐক্য স্থাপনৰ এক শক্তিশালী আহিলা হিচাপে থিয় দিব পাৰিব। পৰ্যটনে একো একোটা অঞ্চলৰ সাংস্কৃতিক সম্পদৰ বিকাশ ঘটায় আৰু পৰস্পৰৰ মাজত বুজাবুজিৰ ভাৱৰ সৃষ্টি কৰে। 2011 চনৰ লোকপিয়ল অনুসৰি অসমত 26,247 খন গাঁও আছে য'ত 86 শতাংশ লোকে বসবাস কৰে। গ্ৰাম্য পৰ্যটনৰ বিকাশ সাধন কৰাৰ ফলত গাঁৱৰ লোকৰ আৰ্থ-সামাজিক উন্নয়নৰো বিকাশ হ'ব। অসমৰ পৰ্যটনৰ ক্ষেত্ৰত আন এক উল্লেখনীয় উপাদান হ'ল চাহ বাগিচাবোৰ। অসমৰ চাহ হৈছে বিশ্ব বিখ্যাত। চাহ বাগিচাসমূহক পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে সম্ভাৱনা দেখা যায়। শেহতীয়াকৈ 2022-23 চনৰ বাজেটত অসমৰ চাহ বাগিচাৰ পৰ্যটনৰ ক্ষেত্ৰত 50 কোটি টকা আবণ্টন কৰিছে। ইয়াৰোপৰি 50 খন চাহবাগানত থকা বাংলোসমূহক অধিক আকৰ্ষণীয় কৰি তুলিবলৈ পদক্ষেপ হাতত লৈছে।

2019 চনৰ তথ্য অনুসৰি সমগ্ৰ দেশীয় মুঠ GDPত 6.8 শতাংশ পৰ্যটনৰ ক্ষেত্ৰই অৰিহণা যোগাবলৈ সক্ষম হৈছিল। কিন্তু শেহতীয়াকৈ হোৱা ক'ভিড মহামাৰীৰ ফলত প্ৰতিটো খণ্ডৰ দৰে পৰ্যটনৰ ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পৰা দেখা যায়। 21.5 মিলিয়ন মানুহ ক'ভিড মহামাৰীৰ ফলত তেওঁলোকৰ সংস্থাপন হেৰুৱাব লগা হয়। ইয়াৰবাবে পৰ্যটনৰ ক্ষেত্ৰত বৃহৎ লোকচানৰ সন্মুখীন হয়।

"2018 চনত হোৱা 'Advantage Assam' নামৰ পৰ্যটনৰ সন্মিলনত অসমৰ GDPৰ 5.5 শতাংশ পৰ্যটনে অৰিহণা যোগাই আহিছে বুলি কোৱা হৈছে। তাৰ সমান্তৰালকৈ ৰাজ্যৰ মুঠ নিয়োগৰ ক্ষেত্ৰত 10.5 শতাংশ নিয়োগৰ সুবিধা পৰ্যটন ক্ষেত্ৰৰ পৰা ওলায়।"[1] এইখিনিতে উল্লেখ কৰিব লাগিব যে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ল'কডাউনৰ পাছত প্ৰায় 6 কোটি টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। "2017-18 চনত কাজিৰঙালৈ অহা পৰ্যটকৰ সংখ্যা 1.88 লাখ হোৱাৰ বিপৰীতে 2021-22 চনত এই পৰিমাণ 2.75 লাখলৈ বৃদ্ধি হয়। 2021 চনৰ অক্টোবৰ মাহৰ পৰা 2022 চনৰ মে' মাহলৈ কেৱল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানেই 6,39,23,389 কোটি টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হয়।"[2] এইয়া কেৱল এক উদাহৰণহে। এইসমূহ তথ্যৰ পৰাই অসমৰ পৰ্যটনৰ ক্ষেত্ৰত কিমানখিনি সম্ভাৱনীয়তা আছে তাক নিৰ্ণয় কৰিব পৰা যায়।

**গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনীয়তা ঃ**

আমাৰ ৰাজ্যত গ্ৰাম্য অঞ্চলৰ পৰ্যটকক মুহিব পৰাকৈ বিভিন্ন ধৰণৰ অৰ্কিড, ফুল-ফল, জীৱ-জন্তু, চৰাই-চিৰিকটি, ধৰ্মীয় অনুষ্ঠান, মঠ-মন্দিৰ, ঐতিহাসিক কীৰ্তিচিহ্ন, বাৰেৰহণীয়া সংস্কৃতি আদি আছে। উদাহৰণস্বৰূপে, গোলাঘাটৰ কাকচাং, যোৰহাটৰ নিমাতীঘাট, শান্তি আশ্ৰম, চুকাফা সমন্বয় ক্ষেত্ৰ, যাদৱ পায়েঙৰ মোলাই চাপৰি, বিভিন্ন সত্ৰসমূহ যেনে— আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, ঢেকীয়াখোৱা বৰনামঘৰ, মইনাপুৰীয়া নামঘৰ, দেৰগাঁও নেঘেৰিটিং, শিৱদৌল, গোলাঘাটৰ আঠখেলীয়া বৰনামঘৰ, শিৱসাগৰৰ জাঁজী আমগুৰি অঞ্চলত অৱস্থিত জৰাবাৰী সত্ৰ, হালোৱাটিং অঞ্চলৰ কমলাবাৰী, নামৰূপ সাৰ নগৰীত অৱস্থিত দিল্লীঘাট, জয়কল, নাহৰকটীয়াৰ চাচনিৰ মেৰবিল, বিশ্বনাথৰ কাঠনিবাৰী ঘাট ইত্যাদি। এনেবোৰ বহুতো পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ বিভিন্ন ঠাই আছে। তাৰোপৰি বিভিন্ন ঐতিহাসিক কীৰ্তিচিহ্নসমূহ আছেই। নগাঁৱৰ বৰদোৱা, আকাশীগংগাৰ জলপ্ৰপাত, পাখি তীৰ্থ, মাধৱথান,


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

মহামৃত্যুঞ্জয় মন্দিৰ, বৰপেটাৰ বৰপেটা সত্ৰ, পাটবাউসী সত্ৰ, নলবাৰীৰ বাসুদেৱ দেৱালয়, হৰিমন্দিৰ, বঙাইগাঁৱৰ অভয়াপুৰী, বাঘেশ্বৰী মন্দিৰ ইত্যাদি। ইয়াৰ সমান্তৰালভাৱে মিছিং, কাৰ্বি, ডিমাছা, কছাৰী, বড়ো, ৰাভা ইত্যাদি জনগোষ্ঠীসকলৰ বিভিন্ন লোকাচাৰ তথা নিজ নিজ উৎসৱ-পাৰ্বন আছে। বৃহৎ অসমীয়া জাতিৰ সমন্বয় সাধনত জাতি-জনগোষ্ঠীসমূহৰ কৃষ্টি-সংস্কৃতি জড়িত হৈ আছে। এই সকলোৱে নিজ নিজ জীৱন প্ৰণালীৰ লগতে বিভিন্ন সামাজিক পৰম্পৰা, ৰীতি-নীতি দেখিবলৈ পোৱা যায়। আনহাতে অসমৰ লোকাচাৰৰ অন্যতম উপাদান সাজ-পাৰ, খাদ্য ইত্যাদিৰ ক্ষেত্ৰতো এক সম্ভাৱনাময় পৰ্যটনৰ বাট দেখিবলৈ পোৱা যায়।

অসমৰ পৰ্যটন নীতি 2004ত পৰ্যটন বিভাগত বেচৰকাৰী বিনিয়োগৰ ওপৰত গুৰুত্ব দিয়া হয়। শেহতীয়াকৈ 2022 চনৰ পৰ্যটনৰ নীতিটো চৰকাৰী আৰু বেচৰকাৰী উমৈহতীয়াভাৱে বিনিয়োগৰ ওপৰত গুৰুত্ব দিয়া হৈছে। তদুপৰি বেচৰকাৰী বিনিয়োগৰ সহযোগত ৰাজ্য চৰকাৰে অসমত পঞ্চতাৰকা হোটেল খোলাৰ পৰিকল্পনা হাতত লৈছে। গাঁও অঞ্চলৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলে যদি নিজৰ গাঁৱৰে সুবিধাজনক ঠাইত পৰ্যটনকেন্দ্ৰিক যিকোনো উদ্যোগ আৰম্ভ কৰে, তেন্তে তেওঁলোকৰ ব্যৱসায় ব্যৰ্থ হোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যটকসকল সাধাৰণতে পঞ্চ তাৰকাযুক্ত হোটেলতকৈ গাঁও অঞ্চলত বা তেনে কোনো প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত থাকিবলৈহে ভাল পায়। সেয়ে পৰ্যটকৰ বাবে থকাৰ সু-ব্যৱস্থা কৰিব পাৰিলে ই এক আকৰ্ষণীয় ব্যৱসায়ত নিশ্চিতভাৱে পৰিণত হ'ব। এনে ধৰণৰ হোটেলৰ বাবে গাঁওসমূহৰ স্থানীয় আৰ্হিত কেতবোৰ কুটিৰ সদৃশ ঘৰ সাজিব পৰা যায়। এনে আবাসগৃহসমূহ যদি পঞ্চ তাৰকা হোটেলৰ দৰে পৰিষ্কাৰ-পৰিচ্ছন্নতা থাকে আৰু তাত থকা সা-সঁজুলিসমূহ আৰামদায়ক হয় তেতিয়া হ'লে সেইবোৰ পৰ্যটকৰ বাবে আকৰ্ষণৰ সামগ্ৰী হোৱাটো নিশ্চিত। বিশেষকৈ পৰিৱেশক কেন্দ্ৰ কৰি ভ্ৰমণ কৰা পৰ্যটকসকলৰ বাবে ই আকৰ্ষণৰ বিষয় হ'ব।

অসমত এতিয়াও বহু এনে বিল, স্থাপত্য, নদী, পাহাৰ, অৰণ্য আছে; যিবিলাকত কেৱল স্থানীয় পৰ্যটককহে দেখিবলৈ পোৱা যায়। উপযুক্ত প্ৰচাৰ তথা প্ৰসাৰৰ অভাৱত বহু পৰ্যটনস্থলী এনেদৰেই পৰি থাকে। কেৱল মাত্ৰ স্থানীয় লোকৰ সমাগমতে সীমাৱদ্ধ নাৰাখি বিভিন্ন দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণীয় ৰূপত সজাই তুলিব লাগে। পিছে তেনে কৰোঁতে মনত ৰাখিব লগীয়া কথাটো হ'ল পৰিৱেশৰ যাতে কোনো ক্ষতি নহয়। কিয়নো পৰিস্থিতি পৰ্যটনে এতিয়া ইমানেই গুৰুত্ব লাভ কৰিছে যে পৰ্যটনস্থল বৰ্জন কৰিবলৈ বাধ্য হয়। বিগত ক'ভিড কালছোৱাক বাদ দি অম্বুবাচী মেলা, আন্তঃৰাষ্ট্ৰীয় শিৱৰাত্ৰি মহোৎসৱ, বৰপেটাৰ দৌলযাত্ৰা ইত্যাদি মেলাসমূহত পৰ্যটন বিভাগে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। সমান্তৰালকৈ গ্ৰাম্য পৰ্যটনস্থলৰ ক্ষেত্ৰতো এনে মেলা বা বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা যায়। ইয়াৰোপৰি বিভিন্ন প্ৰদৰ্শনীমূলক মেলাসমূহেও পৰ্যটনৰ বাবে ইতিবাচক ভূমিকা পালন কৰে। অৱশ্যে অসমৰ দৰে এখন ৰাজ্যত বিভিন্ন ধৰণৰ সমস্যা যেনে যোগাযোগ তথা আন্তঃগাঁথনিৰ অভাৱ, পৰ্যটকৰ নিৰাপত্তাৰ অভাৱ ইত্যাদিৰ বাবে পৰ্যটনৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি নোহোৱা নহয়। তথাপি সেই সমস্যাসমূহৰ উপযুক্ত সমাধানৰ লগতে পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা প্ৰয়োজন। অসমৰ 'কা' আনেদালনৰ সময়ত পৰ্যটন ক্ষেত্ৰত প্ৰায় 400 কোটি টকা লোকচানৰ সন্মুখীন হ'ব লগা হয়। শেহতীয়াকৈ গ্ৰহণ কৰা 'অসম পৰ্যটন নীতি 2022'ত অসমৰ পৰ্যটনৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তাত গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা দেখা গৈছে। অসমৰ বিভিন্ন গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰসমূহত স্থানীয় বাসিন্দাসকলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগ সুবিধা লাভ কৰাৰ লগতে আৰ্থিকভাৱে লাভৱান হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

কৰিছে। স্থানীয় লোকে পৰ্যটকৰ সুবিধাৰ বাবে 'আমাৰ আলহী' শীৰ্ষক আঁচনিৰ সহায়ত পৰ্যটকৰ থকা-খোৱাৰ ব্যৱস্থা কৰিব পাৰে। তাৰোপৰি পৰ্যটনস্থলী আৰু যোগাযোগৰ ক্ষেত্ৰত এক সমন্বয় সাধন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। যাৰ জৰিয়তে পৰ্যটনস্থলী আৰু যোগাযোগৰ ক্ষেত্ৰত থকা সমস্যাসমূহৰ সমাধান হ'ব। অসমৰ পৰ্যটনৰ ক্ষেত্ৰত বিনিয়োগৰ বাবে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ (Public Private Partnership) অৰ্থাৎ ৰাজহুৱা ব্যক্তিগত উমৈহতীয়া প্ৰচেষ্টাৰ লোৱা হৈছে।

শেহতীয়াকৈ 2022 চনৰ জুলাইত বেংককত অনুষ্ঠিত হোৱা 'Northeast India Festival'ত পৰ্যটনৰ লগতে গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰিছে। ব্যৱসায়ীৰ লগত ব্যৱসায়ীৰ অৰ্থাৎ B2Bৰ (Businesse to Business) সংযোগ সাধনেৰে পৰ্যটনৰ ক্ষেত্ৰত বিনিয়োগৰ কথা আলোকপাত কৰে, যাৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ লগত থাইলেণ্ডৰ উমৈহতীয়া প্ৰচেষ্টাত পৰ্যটকৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে ৰাজহ বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰোপৰি গ্ৰামাঞ্চলৰ লোকসকলৰ শৈল্পিক কামসমূহ, যেনে— বোৱা-কটা, বিভিন্ন খাদ্যাভ্যাস, বিভিন্ন সা-সঁজুলি ইত্যাদি বিভিন্ন গ্ৰাম্য উৎপাদিত সামগ্ৰীক এখন বজাৰ দিয়াৰ উদ্দেশ্যে অসম ৰাজ্যিক গ্ৰামীণ বিকাশ নিগমৰ উদ্যোগত 'SARAS' মেলা অনুষ্ঠিত কৰা হয়। ইয়াৰ দ্বাৰা বহু লোক সংস্থাপিত হোৱাৰ লগতে গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰতো ইতিবাচক বাৰ্তা কঢ়িয়াই আনে। ইয়াৰ বাবে লাগিব উপযুক্ত প্ৰসাৰ আৰু প্ৰচাৰৰ ব্যৱস্থা।

## পৰামৰ্শাৱলী ঃ

গ্ৰাম্য পৰ্যটনৰ দৰে প্ৰচুৰ সম্ভাৱনীয়তা থকা অসমৰ দৰে এখন ৰাজ্যত বহুবোৰ কৰণীয় আছে। এই কৰণীয় চৰকাৰ, বিভিন্ন স্বেচ্ছাসেৱী সংগঠন তথা ৰাজইৰ সহযোগতহে সম্ভৱ। কেৱল পৰামৰ্শাৱলীৰ দ্বাৰা গ্ৰাম্য উদ্যোগৰ বিকাশ সাধন কৰিব নোৱাৰি। এইক্ষেত্ৰত সকলোৰে ঐকান্তিক প্ৰচেষ্টাৰ অতীৱ প্ৰয়োজনীয়। তথাপি তলত কেইটামান পৰামৰ্শাৱলী উল্লেখ কৰা হ'ল—

(ক) যদিও আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বিভিন্ন আংচনি লোৱা হৈছে তথাপি কিছু এনে পৰ্যটনৰ ক্ষেত্ৰ আছে য'ত আন্তঃগাঁথনিৰ অভাৱ দেখা যায়। তেনে অঞ্চলত বৃহৎ আকাৰৰ পুঁজিৰ বিনিয়োগ ঘটোৱাৰ প্ৰয়োজন।

(খ) দক্ষ চ্যুৰিষ্ট গাইড্ নিয়োগ আৰু পৰ্যটকসকলক সম্পূৰ্ণ নিৰাপত্তা আৰু সুৰক্ষা প্ৰদান কৰাৰ ব্যৱস্থা ল'ব লাগে।

(গ) পৰ্যটকসকল থাকিবৰ বাবে যিসমূহ পৰ্যটনৰ নিৰাসস্থল আছে সেইসমূহ যাতে এক উন্নত তথা অত্যাধুনিক সা-সুবিধা সম্পন্ন হয় তাৰ বাবে ব্যৱস্থা লোৱা উচিত।

(ঘ) গ্ৰাম্য পৰ্যটনৰ যোগেদি অসমৰ ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ জনপ্ৰিয়তা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰচেষ্টা হাতত ল'ব লাগে।

(ঙ) গ্ৰাম্য পৰ্যটনৰ জৰিয়তে অসমৰ পৰম্পৰাগত খাদ্য সম্ভাৰ, বস্ত্ৰশিল্প ইত্যাদি বিশ্বৰ বজাৰত বাণিজ্যকৰণৰ ক্ষেত্ৰত সম্প্ৰসাৰণ কৰা। যেনে ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খাদ্য মহোৎসৱ বা অন্যান্য মেলাসমূহত প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব লাগে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

(চ) পৰ্যটকৰ হাতপুথি আৰু গ্ৰাম্য পৰ্যটনৰ অনুসন্ধান কেন্দ্ৰ ইত্যাদি স্থাপনৰ মনোযোগ প্ৰদান কৰিব লাগে।

(ছ) অসমৰ বিহু, সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ লগতে বিভিন্ন জনজাতীয় লোকৰ লোকনৃত্য, গীত-মাত ইত্যাদি সমূহৰ বিজ্ঞাপন তথা প্ৰচাৰৰ ব্যৱস্থা উন্নত কৰিব লাগে।

(জ) তামিলনাডুৰ মহাবল্লীপূৰমক স্থানীয় শিল্পীয়ে সজাই তোলাৰ দৰে বা মহাৰাষ্ট্ৰৰ নাগপুৰত জাপানৰ আৰ্হিৰ জাপানী বাগিচা গঢ়ি পৰ্যটকক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰাৰ দৰে অসমতো তেনে ব্যৱস্থা ল'ব পাৰে।

(ঝ) পৰ্যটনস্থলীৰ পৰিস্কাৰ-পৰিচ্ছন্নতাও ৰক্ষা কৰি চলাৰ ওপৰতো বহু পৰিমাণে পৰ্যটন ক্ষেত্ৰত প্ৰভাৱ পৰে। সেয়েহে, জনসাধাৰণৰ মাজত পৰিৱেশৰ প্ৰতি সংবেদনশীলতাৰ ভাৱ জগাই তুলিব লাগে। গ্ৰাম্য পৰ্যটনৰ বাবে লোকসকলৰ মাজত বিভিন্ন ধৰণৰ আলোচনা শিবিৰ, বাটৰ নাট ইত্যাদি অনুষ্ঠিত কৰিব পাৰে যাৰ জৰিয়তে গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰত গৱেষণাভিত্তিক মনোবৃত্তি গঢ়ি তুলিব পৰা যায়।

## সামৰণি ঃ

বৰ্তমান সময়ত পৰ্যটন ক্ষেত্ৰ বহু কোটিটকীয়া উদ্যোগলৈ ৰূপান্তৰিত হৈছে। ইয়াৰবাবে বিশ্ববিদ্যালয়ৰ পৰ্যায়তো অধ্যয়নৰ বাবে সুকীয়া পাঠ্যক্ৰম আৰম্ভ কৰা পৰিলক্ষিত হৈছে। গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সুকীয়া পৰ্যটন বা ভ্ৰমণ বিষয়ক একোটা বিভাগ বা পাঠ্যক্ৰম আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা পৰ্যটন সম্পৰ্কীয় বিভিন্ন প্ৰশিক্ষণৰ পাঠ্যক্ৰম আৰম্ভ কৰি বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰিছে। অসমৰ দৰে বৃহৎ নিবনুৱাৰে ভৰি থকা ৰাজ্য এখনৰ সামগ্ৰীকভাৱে পৰিৱৰ্তন আনিবলৈ হ'লে গ্ৰাম্য পৰ্যটনে কিছু হ'লেও অৱকাশ দিব তাত কোনো সন্দেহ নাই। উপযুক্ত সুযোগ-সুবিধা তথা পৰ্যটনস্থলীসমূহৰ উন্নয়নৰ দ্বাৰাহে নিবনুৱাৰ দৰে ভয়ংকৰ বোজা লৈ থকা অসমে বিশ্ব দৰবাৰত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হ'ব আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত দ্ৰুতগতিত আগবাঢ়ি যাব পাৰিব।

## পাদটীকা ঃ

1 https//asrlms.assam.gov.in.advantageassam
2 https//www.deccanherald.com

## গ্ৰন্থপঞ্জী ঃ

1 আহমেদ ৰফিক (সম্পা.) ঃ দাপোন The mirror, 2015
2 গোস্বামী, গীতাৰাণী; গোস্বামী পংকজ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহাসিক পটভূমিত পৰ্যটন, জুন, 2017
3 শইকীয়া, দেৱজিত; শইকীয়া, মাইনুমণি; ৰাভা, ৰীমা ঃ অসমৰ অৰ্থনৈতিক ৰূপৰেখা, 2014
4 বিভিন্ন আলোচনী ঃ পয়োভৰা, 2010 (মে'), বসুন্ধৰা, প্ৰান্তিক, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা ইত্যাদিৰ লগতে বিভিন্ন লেখা আৰু প্ৰবন্ধ।

■ ■ ■